**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-01-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*

## ***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ভূবনেশ্বৰৰ জনতা ময়দানত অনুষ্ঠিত অষ্টাদশ প্ৰবাসী ভাৰতীয় দিৱস সন্মিলনৰ সামৰণি অনুষ্ঠানত অধ্যক্ষতা কৰিব।

২। কেন্দ্ৰীয় ৰে'ল আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মধ্যবিত্ত আৰু নিম্ন আয়ৰ লোকসকলক গুণগতমানৰ সেৱা আগবঢ়াব পৰাকৈ অতি সোনকালে নতুন বন্দে ভাৰত ৰে'ল সেৱা মুকলি কৰা হ'ব বুলি প্ৰকাশ কৰিছে।

৩। দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হয়।

৪। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত মহাকুম্ভ ২০২৫ৰ বাবে আকাশবাণীৰ কুম্ভবাণী চেনেল আজি মুকলি কৰা হৈছে।

**আৰু**

৫। গুজৰাটৰ ৰাজকোটত ভাৰত আৰু আয়াৰলেণ্ডৰ মাজত অনুষ্ঠিত মহিলাৰ তিনিখনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আয়াৰলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ভূবনেশ্বৰৰ জনতা ময়দানত অনুষ্ঠিত অষ্টাদশ প্ৰবাসী ভাৰতীয় দিৱস সন্মিলনৰ সামৰণি অনুষ্ঠানত অধ্যক্ষতা কৰিব। যোৱানিশা ভূবনেশ্বৰত উপস্থিত হোৱা ৰাষ্ট্ৰপতিগৰাকীয়ে সন্মিলনত সমবেত হোৱা প্ৰায় ৭৫ খন দেশৰ প্ৰবাসী ভাৰতীয় সকলক উদ্দেশ্যি ভাষণ দিব। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যৰ বাবে কেবাগৰাকী লোকক **প্ৰৱাসী ভাৰতীয়** সন্মান প্ৰদান কৰিব।

0000000

কেন্দ্ৰীয় ৰে'ল আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মধ্যবিত্ত আৰু নিম্ন আয়ৰ লোকসকলক গুণগতমানৰ সেৱা আগবঢ়াব পৰাকৈ অতি সোনকালে নতুন বন্দে ভাৰত ৰে'ল সেৱা মুকলি কৰা হ'ব বুলি প্ৰকাশ কৰিছে। চেন্নাইত আজি সংহত ৰে'লৰ দবা নিৰ্মাণ কাৰখানাত সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰিকল্পনা অনুসৰি দেশবাসীক বিশ্বমানৰ সুবিধা প্ৰদানৰ চেষ্টা কৰা হৈছে আৰু দ্বিতীয় পৰ্যায়ৰ অমৃত ভাৰতৰ আৰম্ভণিয়ে এই পৰিকল্পনাক বাস্তৱায়িত কৰিব। শ্ৰী বৈষ্ণৱে অমৃত ভাৰত ৰে'লৰ দবাত যাত্ৰীসকলৰ সুবিধা আৰু নিৰাপত্তাৰ বাবে ১২ টা বিশেষ ব্যৱস্থাকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিকাশৰ কথা উল্লেখ কৰে। তেওঁ লগতে অহা দুবছৰৰ ভিতৰত নিম্ন আয়ৰ লোকসকলৰ বাবে ৫০ খন নতুন ৰে'ল মুকলি কৰাৰ কথাও ঘোষণা কৰে। জম্মু-শ্ৰীনগৰ সংযোগী ৰে'ল সেৱাৰ সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত শ্ৰী বৈষ্ণৱে কয়, যে এই

সুদীৰ্ঘ ৰে'ল পথছোৱাত ৯৭ টা সুৰংগ আৰু মুঠ ৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ কেইবাখনো দলং থকাৰ বাবে এই প্ৰকল্প সম্পূৰ্ণ হ'বলৈ কিছু সময় লাগিব।

0000000

দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হয়। অধিসূচনা জাৰি কৰাৰ লগে লগে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়াও আৰম্ভ হৈছে। ইচ্ছুক প্ৰাৰ্থীসকলে ১৭ জানুৱাৰীলৈ মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব আৰু ২০ জানুৱাৰীত মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ৭০ জনীয়া দিল্লী বিধানসভাৰ বাবে অহা ৫ ফেব্ৰুৱাৰীত নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ৮ ফেব্ৰুৱাৰীত ভোটগণনা কৰা হ'ব। এইবাৰৰ নিৰ্বাচনত ১ কোটি ৫৫ লাখৰো অধিক ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে ভিতৰত ৮৩ লাখৰো অধিক পুৰুষ আৰু ৭১ লাখৰো অধিক মহিলা ভোটাৰ আছে। শাসনাধিস্থিতিত আম আদমী পাৰ্টীয়ে ইতিমধ্যে দিল্লী বিধানসভাৰ আটাইকেইটা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বিজেপিয়ে বৰ্তমানলৈকে ২৯ গৰাকী আৰু কংগ্ৰেছে ৪৮ গৰাকী প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। দিল্লী বিধানসভা নিৰ্বাচনত আম আদমী পাৰ্টী, বিজেপি আৰু কংগ্ৰেছৰ মাজত ত্ৰিকোণীয় প্ৰতিদণ্ডিতা হোৱাৰ সম্ভাৱনা আছে। ২০২০ চনৰ বিধানসভা নিৰ্বাচনৰ ৰাজ্যখনৰ আপে ৬২ খন আসন লাভ কৰাৰ বিপৰীতে বিজেপিয়ে ৮ খন আসন লাভ কৰিছিল।

0000000

ছত্তিচগড়ৰ বিজাপুৰ জিলাত আজি ১৩ জন মাওবাদীয়ে আৰক্ষী আৰু চি আৰ পি এফৰ শীৰ্ষ বিষয়াসকলৰ উপস্থিতিত আত্মসমৰ্পণ কৰে। আত্মসমৰ্পনকাৰী মাওবাদীসকলৰ মুঠ ১৩ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছে। ইয়াৰে দুজন মাওবাদীক ৫ লাখ টকাকৈ আৰু ৩ জন মাওবাদীক এক লাখ টকাকৈ প্ৰদান কৰা হ'ব। বিজাপুৰৰ আৰক্ষী অধীক্ষকে জনোৱা অনুসৰি আত্মসমৰ্পণকাৰী মাওবাদীসকলক ছত্তিচগড় চৰকাৰৰ পুৰ্নবাস নীতিৰ অধীনত ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

0000000

যোৱা সোমবাৰে উমৰাংছ'ৰ তিন কিলোৰ কয়লা খনিত হঠাতে সোমোৱা পানীৰ বাবে সংঘটিত দুৰ্ঘটনাৰ উদ্ধাৰ অভিযানৰ আজি পঞ্চম দিনাও খনিৰ ভিতৰত আবদ্ধ শ্ৰমিকৰ সন্ধান উলিয়াব পৰা হোৱা নাই। এই উদ্ধাৰ কাৰ্যত সহায়ৰ বাবে নাগপুৰৰ পশ্চিম ক'ল ফিল্ড লিমিটেডৰ এটা দলেও উমৰাংছ'ত আহি উপস্থিত হৈছে। দলটোৱে অত্যাধুনিক পানী নিষ্কাষণ যন্ত্ৰৰে প্ৰতি মিনিটত ৫০০ গেলন পানী সিঁচাৰ কাম অব্যাহত ৰাখিছে। নৌ সেনা বাহিনী, এন ডি আৰ এফ, এছ ডি আৰ এফ, ক'ল ইণ্ডিয়া লিমিটেডৰ উদ্ধাৰকাৰী বাহিনী আৰু জিলা প্ৰশাসনু সমূহীয়া প্ৰচেষ্টাৰ পাছতো কয়লা খনিটোত পানীৰ পৰিমাণ হ্ৰাস কৰিব পৰা হোৱা নাই বুলি উদ্ধাৰ অভিযান তদাৰকী কৰা এগৰাকী শীৰ্ষ বিষয়াই প্ৰকাশ কৰিছে।

ইফালে, কংগ্ৰেছকে ধৰি কেইবাটাও বিৰোধী দলে উমৰাংছ'ৰ খনি দুৰ্ঘটনাৰ প্ৰকৃত তথ্য চৰকাৰে দিয়া নাই বুলি অভিযোগ তোলাৰ লগতে এই ঘটনাৰ ন্যায়িক তদন্তৰ বাবে দাবী জনাইছে।

0000000

আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফৰ্ণিয়াৰ লছ এঞ্জেলছৰ কেইবাটাও  এলেকাত বনজুইয়ে ব্যাপক ৰূপ ধাৰণ কৰাৰ ফলত কমেও ১০জন লোকৰ মৃত্যু হৈছে। বনজুইৰ বাবে লছ এঞ্জেলছৰ প্ৰায় এক লাখ ৮০ হাজাৰ লোকক

সুৰক্ষিত স্থানলৈ যাবৰ বাবে কৰ্তৃপক্ষই নিৰ্দেশ দিছে। ইফালে লছ্ এঞ্জেলছৰ কাষৰীয়া ৱেষ্ট হিলছত কালি সন্ধিয়া নতুনকৈ বনজুইৰ সূত্ৰপাত হৈ এঘণ্টাৰ ভিতৰতে ৯০০ একৰতকৈ অধিক ভূমিলৈ বিয়পি পৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে এই বিধংসী বনজুইত এতিয়ালৈকে ৫ হাজাৰ ৩০০ৰো অধিক আন্তঃগাঁথনি জুইত জাহ গৈছে। লছ্ এঞ্জেলছত যোৱা বুধবাৰে সূত্ৰপাত হোৱা এই বনজুইয়ে আদ্যৰন্ত এলেকা পেচিফিক পেলিচেদচকে ধৰি অনান্য অঞ্চললৈ বিয়পি পৰে। জলবায়ু পৰিবৰ্তনৰ ফলত উষ্ণতা বৃদ্ধিৰ বিপৰীতে বৰষুণৰ পৰিমাণ কম হোৱাৰ বাবে এই বিধবংসী বনজুইৰ সূত্ৰপাত হয় বুলি দেশখনৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত মহাকুম্ভ ২০২৫ৰ বাবে আকাশবাণীৰ কুম্ভবাণী চেনেল আজি মুকলি কৰা হৈছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এই চেনেলটো মুকলি কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে কুম্ভবাণীয়ে জনপ্ৰিয়তাৰ  নতুন শিখৰ লাভ কৰাই নহয়, বৰং অতি পিছপৰা গাঁও সমূহতো মহাকুম্ভৰ ভাৱনাক বিয়পাই দিবলৈ সক্ষম হ'ব বুলি বিশ্বাস ব্যক্ত কৰে। আকাশবাণী হৈছে জনসাধাৰণক থলুৱা পৰম্পৰা আৰু সংস্কৃতিৰ সৈতে সংযোজিত কৰাৰ প্ৰথম মাধ্যম বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে আকাশবাণীৰ সৈতে তেওঁৰ শৈশৱৰ স্মৃতি ৰোমন্থন কৰে। এই অনুষ্ঠানতে কুম্ভ মংগল ধবনি মুকলি কৰা হয়। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীক এই ৰেডিঅ' চেনেলৰ বাবে শুভেচ্ছা জনায়। অনুষ্ঠানত প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দিবেদী, আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়, দূৰদৰ্শনৰ সঞ্চালক প্ৰধান কাঞ্চন প্ৰসাদ, দূৰদৰ্শনৰ বাতৰি বিভাগৰ সঞ্চালক প্ৰধান প্ৰিয়া কুমাৰকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০০০

বিজেপি আৰু আম আদমী পাৰ্টিয়ে আজি পূৰ্বাঞ্চলি ভোটাৰক লৈ অভিযোগ প্ৰতিঅভিযোগ কৰে। দিল্লী বিজেপিৰ সভাপতি বীৰেন্দ্ৰ সচদেৱাই আম আদমী পাৰ্টিয়ে পূৰ্বাঞ্চলীক ভুৱা ভোটাৰ বুলি অভিহিত কৰাৰ অভিযোগ উত্থাপন কৰে। নতুন দিল্লীত সংবাদমেল সম্বোধন কৰি তেওঁ কয় যে আপৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালেপ্ৰদান কৰা বক্তব্যক বিজেপিয়ে গৰিহণা দিয়ে।

আনহাতে, আপৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে বিজেপিয়ে পূৰ্বাঞ্চলী লোকক ভোটাৰ তালিকাৰ পৰা আঁতৰাই পেলাবলৈ চেষ্টা কৰাৰ অভিযোগ উত্থাপন কৰে। কালি দিল্লীত এখন সংবাদমেল সম্বোধন কৰি কেজৰিৱাকে কয় যে বিজেপিয়ে ৰহিংগীয়াৰ নামত পূৰ্বাঞ্চলী ভোটাৰৰ ভোট কৰ্তন কৰা বুলি তেওঁ নিৰ্বাচন আয়োগৰ ওচৰত অভিযোগ উত্থাপন কৰিছিল। কেজৰিৱালে বিজেপিক ৰাষ্ট্ৰীয় ৰাজধানীত আইন-শৃংখলাৰ পৰিস্থিতিৰ অৱনতি ঘটাৰ আঁৰত জড়িতৰ অভিযোগো উত্থাপন কৰে।

০০০০০০০

যোৱা কেইদিনমানৰ পৰা ৰাষ্ট্ৰীয় ৰাজধানীৰ বিদ্যালয়সমূহত বোমা বিস্ফোৰণৰ ভাবুকি দিয়া এজন দ্বাদশ শ্ৰেণীৰ ছাত্ৰক দিল্লী আৰক্ষীয়ে আটক কৰিছে। দিল্লী আৰক্ষীৰ এগৰাকী বিষয়াই জনোৱা মতে বিভিন্ন বিদ্যালয়ে লাভ কৰা ২৩টা ভাবুকি ইমেইল ছাত্ৰজনে প্ৰেৰণ কৰিছিল।

০০০০০০০

গুজৰাটৰ ৰাজকোটত ভাৰত আৰু আয়াৰলেণ্ডৰ মাজত অনুষ্ঠিত মহিলাৰ তিনিখনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আয়াৰলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। আয়াৰলেণ্ডে আমালৈ বাতৰি অহাৰ পৰলৈকে ৩৮ অভাৰত ৫ টা উইকেটৰ বিনিময়ত ১৭৩ ৰান সংগ্ৰহ কৰিছে। দলটোৰ হৈ গেবি লেৱিছে ৮০ ৰান কৰি খেলি আছে। ভাৰতৰ হৈ তিতাছ সাধু, ছয়ালি সাতঘৰে, প্ৰিয়া মিশ্ৰ আৰু দিপ্তী শৰ্মাই এতিয়ালৈকে এটাকৈ উইকেট দখল কৰিছে।

শৃংখলাৰ দ্বিতীয়খন খেল অহা দেওবাৰে আৰু তৃতীয়খন খেল ১৫ ফেব্ৰুৱাৰীত খেলোৱা হ'ব।

০০০০০০০

ওড়িশাৰ ৰুৰকেলাত অনুষ্ঠিত হৈ থকা পুৰুষৰ হকী ইণ্ডিয়া লীগত আজি তামিলনাডু ড্ৰেগনছে শ্ৰাচি ৰাৰহ বেংগল টাইগাৰছৰ বিৰুদ্ধে মুখামুখি হব। খেলখন নিশা ৮:১৫ বজাত অনুষ্ঠিত হব। কালি বীৰছা মুণ্ডা হকী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত বেদান্ত কলিংগা লেন্সাৰছে গ'নাছিকাক ২-১ গ'লত পৰাস্ত কৰে। এই জয়ৰ জৰিয়তে লেন্সাৰছে ৭ পইণ্টেৰে পইণ্ট তালিকাৰ তৃতীয় স্থানলৈ উন্নীত হোৱাৰ বিপৰীতে গ'নাছিকাই চাৰি পইণ্টেৰে সপ্তম স্থানত আছে।

০০০০০০০

বিশিষ্ট কণ্ঠ শিল্পী পি জয়াচন্দ্ৰনৰ বিয়োগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শোক প্ৰকাশ কৰিছে। বিশিষ্ট শিল্পীগৰাকীৰ কালি ত্ৰিশূৰত মৃত্যু হয়। প্ৰধানমন্ত্ৰী এটা শোকবাৰ্তাত কয়, যে জয়াচন্দ্ৰনে বিভিন্ন ভাষাত গোৱা গীতসমূহে প্ৰজন্মৰ পাছত প্ৰজন্মলৈ অন্তৰ স্পৰ্শ কৰিব।

০০০০০০০

সমাপ্ত